### চাইবাৰ অপৰাধৰ বিৰুদ্ধে সজাগতাৰ প্ৰয়াস

# বহৰিত মহাৰাষ্ট্ৰৰ শিল্পীৰ বাটৰ নাট প্ৰদৰ্শন

**প্ৰতিদিন বিশেষ সংবাদ, বহৰি, ২৩ ফেব্ৰুৱাৰী ঃ** চাইবাৰ অপৰাধৰ বিৰুদ্ধে ৰাইজৰ মাজত সজাগতাৰ উদ্দেশ্যে আজি বৰপেটাৰ বহৰিত মহাৰাষ্ট্ৰৰ এটা বাটৰ নাট শিল্পীৰ দলে 'বাটৰ নাট' প্ৰদৰ্শন কৰে। চাইবাৰ অপৰাধীৰ পৰা কেনেকৈ সুৰক্ষিত হৈ থাকিব পাৰি সেই বিষয়ে জিলাখনত 'চাইবাৰ শিক্ষা-চাইবাৰ সুৰক্ষা' অভিযান আৰম্ভ কৰিছে বৰপেটা আৰক্ষীয়ে। এই অভিযানৰ লগত সংগতি ৰাখি আজি বৰপেটা আৰক্ষীয়ে মহাৰাষ্ট্ৰৰ 'কুইক হিল ফাউণ্ডেচন'ৰ জৰিয়তে জিলাখনৰ ভিন্ন প্ৰান্তত বাটৰ নাট প্ৰদৰ্শন কৰে। ইয়াৰে অংশ হিচাপে আজি সংস্থাটোৱে বহৰিত বাটৰ নাট প্ৰদৰ্শন কৰে। 'কুইক হিল ফাউণ্ডেচনে' সৰ্বসাধাৰণ ৰাইজ যাতে চাইবাৰ অপৰাধীৰ কবলত নপৰে সেই বিষয়ে বাটৰ নাটৰ জৰিয়তে ৰাইজৰ মাজত সজাগতাৰ প্ৰয়াস চলায় সংস্থাটোৱে। মহাৰাষ্ট্ৰৰ সংস্থাটোৱে হিন্দী ভাষাত বাটৰ নাট প্ৰদৰ্শন কৰি ৰাইজক যথাসম্ভৱ ছ'চিয়েল মিডিয়া কমকৈ ব্যৱহাৰ কৰিবলৈ আৰু কোনো লোকক অ' টি পি নিদিবলৈ নাটৰ জৰিয়তে আহ্বান জনায়। আনহাতে ভুৱা ফোনকল, এছ এম এছ, মেইল, লিংক আদিৰ উত্তৰ নিদিবলৈও নাটৰ জৰিয়তে ৰাইজৰ প্ৰতি আহ্বান জনোৱা হয়। অচিনাকি লোকৰ ভিডিঅ' ফোন কল ৰিচিভ নকৰিবলৈকো ৰাইজলৈ আহ্বান জনায়। বৰপেটা আৰক্ষীৰ উদ্যোগত মহাৰাষ্ট্ৰৰ পৰা অহা সংস্থাটোৰ শিল্পীসকলে ২১ ফেব্ৰুৱাৰীৰ পৰা জিলাখনৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়ৰ লগতে জিলাখনৰ চ'ক, বজাৰ আদিত বাটৰ নাট প্ৰদৰ্শন কৰি আছে। সংস্থাটোৰ প্ৰতিনিধিৰ পৰা জানিব পৰামতে তেওঁলোকে জিলাখনত মুঠতে যাঠিটা স্থানত বাটৰ নাট প্ৰদৰ্শন কৰিব।

## পাৰ্থসাৰথি মহন্তক প্ৰশাসন